১৯৫৩/ ৩০মাৰ্চ

**পোপ্লটলাল শ্বাহ**

**-বনাম-**

**মাদ্ৰাজ ৰাজ্য, ভাৰত সংঘ আৰু অন্যান্য-**

**হস্তক্ষেপকাৰীসকল।**

[মুখ্য ন্যায়াধীশ পতঞ্জলী শাস্ত্ৰী, ন্যায়াধীশ মুখাৰ্জী, ন্যায়াধীশ ভিভিয়ান বোস, ন্যায়াধীশ গুলাম হাছান আৰু ন্যায়াধীশ ভাগৱতী]

*মাদ্ৰাজ চেলচ টেক্স এক্ট(মাদ্ৰাজ বিক্ৰী কৰ আইন) (IX, ১৯৩৯চন), উপধাৰা ২, ৩(১৯৪৭চনৰ সংশোধনীৰ পূৰ্বৰ)- "প্ৰদেশৰ ভিতৰত বিক্ৰী"ৰ অৰ্থত- প্ৰদেশৰ বাহিৰলৈ যোৱা প্ৰপাৰ্তি ইন দ্যা গুদচ্(সামগ্ৰীৰ সম্পত্তি) বিক্ৰীৰ ওপৰত কৰ আৰোপ- আইনী প্ৰযোজ্যতা- প্ৰাদেশিক বিধানমণ্ডল- আঞ্চলিক ক্ষেত্ৰাধিকাৰ।*

পূৰ্বৰ মাদ্ৰাজ বিক্ৰী কৰ আইন, ১৯৩৯-ৰ(সংশোধিত মাদ্ৰাজ আইন নং XXV/১৯৪৭) অধীনত এই সত্য যে- মাদ্ৰাজ প্ৰদেশৰ ভিতৰত বিক্ৰীৰ চুক্তি কৰা হৈছিল বুলিয়েই আন এখন প্ৰদেশলৈ স্থানান্তৰিত প্ৰপাৰ্তি ইন দ্যা গুদচ্(সামগ্ৰীৰ সম্পত্তি)ৰ লেনদেন সম্পন্নৰ ক্ষেত্ৰত মাদ্ৰাজ প্ৰদেশৰ ভিতৰৰ কোনো বিক্ৰী লগতে এই আইনৰ অধীনত কোনোধৰণৰ আইনগত কৰ আৰোপ কাৰ্যকৰী নহ'ব।

যদিও এখন প্ৰাদেশিক বিধানমণ্ডলে ভাৰতৰ আন যিকোনো অংশৰ বাবে বাধ্যতামূলক কৰ বিধি প্ৰণয়ন কৰিব নোৱাৰে, তথাপিও এখন প্ৰদেশ, প্ৰদেশৰ বাহিৰত সম্পন্ন লেনদেনৰ ওপৰত কৰ আৰোপ কৰা আইন প্ৰণয়ন কৰাত প্ৰায় সক্ষম আছিল,

যদিহে এনে লেনদেন আৰু কৰ আৰোপ কৰা প্ৰদেশৰ মাজত পৰ্যাপ্ত আৰু প্ৰকৃত আঞ্চলিক সম্পৰ্ক মজুত আছিল।

এখন বিধি নিৰ্মাণত সহায়ক হিচাপে শিৰোনামা আৰু প্ৰস্তাৱনাৰ মূল্য যিয়েই নহওঁক, নিঃসন্দেহে বিধানমণ্ডলৰ অভিপ্ৰায় আৰু সজ্জাৰ ওপৰত আলোকপাত কৰে লগতে আইনখনৰ পৰিসৰ আৰু উদ্দেশ্য সূচায়।

এইটো নিৰ্মাণৰ এক স্থায়ী নিয়ম যে, আইনী অভিপ্ৰায় নিৰ্ধাৰণ কৰিবলৈ এখন বিধিৰ সকলো উপাদানমূলক অংশ একেলগে বিবেচনা কৰিব লাগিব আৰু প্ৰতিটো শব্দ বাক্যাংশ বা বাক্য, বিধিৰ সাধাৰণ উদ্দেশ্য আৰু উদ্দেশ্যৰ পৰিপ্ৰেক্ষিতত বিবেচনা কৰিব লাগিব।

মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ৰায় সলনি কৰা হৈছিল।

**ফৌজদাৰী আপীল আবেদনৰ ক্ষেত্ৰাধিকাৰ**-ফৌজদাৰীআপীল নং৯২/১৯৫২।

৭ম প্ৰেচিডেন্সী মেজিচট্ৰেট, ইগমোৰ মাদ্ৰাজৰ ১৯৫০চনৰ চি.এন. নং১৩৫৮-ত ১৯৫২চনৰ ২৫ফেব্ৰুৱাৰী তাৰিখৰ আদেশৰ পৰা উদ্ভৱ হোৱা ১৯৫২চনৰ ফৌজদাৰী আপীল নং ১২৯-ত ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৩২(১) আৰু ১৩৪(১)(চি)-ৰ অধীনত মাদ্ৰাজৰ উচ্চ ন্যায়ালয়(মুখ্য ন্যায়াধীশ ৰাজমন্নাৰ আৰু ন্যায়াধীশ ভেংকটৰামা আয়াৰ) ২৯আগষ্ট, ১৯৫২ তাৰিখৰ বিচাৰ আৰু আদেশ।

আপীলকাৰীৰ পক্ষত *বি. সোমায়া (চি. বি. পট্টাভি ৰামনৰ* সৈতে)।

উত্তৰদাতাৰ পক্ষত *মাদ্ৰাজৰ এদভোকেট জেনেৰেল ভি.কে.টি. চাৰি* (*বি.বি. ৰাঘৱন* আৰু *আল্লাদি কুপ্‌পুস্বামীৰ* সৈতে)।

ভাৰত সংঘৰ পক্ষত *ভাৰতৰ এটৰ্নী জেনেৰেল এম. চি. ছেতলৱাদ* (*জি. এন. যোশী* আৰু *পি. এ. মেহতাৰ* সৈতে)।

বিহাৰ ৰাজ্যৰ পক্ষত *বি. কে. পি. সিনহা*।

পঞ্জাব ৰাজ্যৰ পক্ষত *পঞ্জাবৰ এডভোকেট জেনেৰেল এছ. এম. ছিক্ৰী* (*এম. এল. ছেঠীৰ* সৈতে)।

মহীশূৰ ৰাজ্যৰ পক্ষত *মহীশূৰ ৰাজ্যৰ এডভোকেট জেনেৰেল এ. আৰ. সোমনাথ আয়াৰ* (*আৰ. গণপতি আয়াৰৰ* সৈতে)।

উত্তৰ প্ৰদেশ ৰাজ্যৰ পক্ষত *কে. বি. আস্থানা*।

ট্ৰাভাঙ্কোৰ কোচিন ৰাজ্যৰ পক্ষত *ট্ৰাভাঙ্কোৰ কোচিনৰ এডভোকেট জেনেৰেল টি. এন. সুব্ৰমন্যা আয়াৰ* (*এম. আৰ. কৃষ্ণ পিল্লাই* আৰু *বালকৃষ্ণ আয়াৰৰ* সৈতে)।

মধ্যপ্ৰদেশ ৰাজ্যৰ পক্ষত *ভি. এন. শেঠী*।

হুসেন কচাম দাদা (ভাৰত) লিমিটেড(হস্তক্ষেপকাৰী নং৮)-ৰ পক্ষত *হাজৰনাভিছ*।

১৯৫৩চনৰ ৩০মাৰ্চ, আদালতৰ ৰায়দান দিয়ে এনেধৰণে-

ন্যায়াধীশ মুখাৰ্জী- ১৯৫২চনৰ ফৌজদাৰী আপীল নম্বৰ ১২৯-ত গৃহীত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠৰ আপীল ৰায়দানৰ বিৰুদ্ধে নিৰ্দেশিত সংবিধানৰ অনুচ্ছেদ ১৩৪(১)(চি) আৰু ১৩২(১)-ৰ অধীনত মাদ্ৰাজ উচ্চ ন্যায়ালয়ে প্ৰদান কৰা প্ৰমাণপত্ৰৰ ভিত্তিত এই আপীল উত্থাপন কৰা হৈছে, যাৰ দ্বাৰা

বিদ্বান ন্যায়াধীশসকলে সপ্তম প্ৰেচিডেন্সি মাজিষ্ট্ৰেট, মাদ্ৰাজৰ ১৯৫২চনৰ ২৫ফেব্ৰুৱাৰী তাৰিখৰ এক আদেশ নিশ্চিত কৰিছিল, য'ত মাদ্ৰাজ সাধাৰণ বিক্ৰী কৰ আইনৰ ধাৰা ১৫-ৰ অধীনত দণ্ডনীয় অপৰাধৰ বাবে আবেদনকাৰীক দোষী সাব্যস্ত কৰা হৈছিল আৰু তেওঁক ১০০০টকাৰ জৰিমনাৰ শাস্তি প্ৰদান, অন্যথা ৩মাহৰ কাৰাদণ্ডৰে দণ্ডিত কৰিছিল।

আবেদনকাৰী 'ইণ্ডো-মালয় ট্ৰেডিং কোম্পানী' নামৰ ব্যৱসায়ীক প্ৰতিষ্ঠানৰ অংশীদাৰ, যাৰ মুখ্য কাৰ্যালয় মাদ্ৰাজ চহৰত অৱস্থিত আৰু চীনাবাদামৰ তেল, চাগো আৰু কিৰানা সামগ্ৰী বিক্ৰী আৰু ক্ৰয় কৰাৰ ব্যৱসায় কৰি আছে। ১৯৪৭চনৰ ১এপ্ৰিলৰ পৰা ১৯৪৭চনৰ ৩১ডিচেম্বৰলৈকে ১৯৩৯চনৰ মাদ্ৰাজ আইন নং IX-ৰ অধীনত কোম্পানীটোৰ বিক্ৰী কৰ- মুঠ ৩৭,৭৭১টকাৰ টাৰ্ণঅভাৰ(সমুদায় ধন) ৩৭,৭৫,২৫৭টকাত নিৰ্ধাৰণ কৰা হৈছিল আৰু যি পৰিমাণ পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে তেওঁৰ বিৰুদ্ধে আইনৰ ১৫নং ধাৰাৰ অধীনত গোচৰ ৰুজু কৰা হৈছিল। ফলস্বৰূপে, ইতিমধ্যে উল্লেখ কৰাৰ দৰেই তেওঁক দোষী সাব্যস্ত কৰা হৈছে। সাধাৰণতে কোম্পানীয়ে অনুসৰণ কৰা আৰু মূল্যায়ন কৰাৰ সময়ছোৱাত প্ৰকৃততে অনুসৰণ কৰা ব্যৱসায়ৰ দিশটো তলত দিয়া ধৰণৰঃ- কোম্পানীটোৱে কিছুমান সামগ্ৰীৰ যোগানৰ বাবে কলিকতাৰ ব্যৱসায়ীসকলৰ পৰা মাদ্ৰাজ কাৰ্যালয়ত আদেশ লাভ কৰে। এই সামগ্ৰীসমূহ স্থানীয় বজাৰত ক্ৰয় কৰা হয় আৰু সেইবোৰ ৰেল বা ষ্টেমাৰেৰে কলিকতালৈ প্ৰেৰণ কৰা হয়। ৰে'লৱেৰ ৰচিদ আৰু বিল অৱ লেদিং (সামগ্ৰীৰ বিল) বিক্ৰেতা কোম্পানীৰ নামত লোৱা হয় আৰু বীমা পলিচিবোৰো লোৱা হয়,

লগতে এইবোৰ কলিকতাত থকা কোম্পানীৰ বেংকাৰসকললৈ প্ৰেৰণ কৰা হয়, যিয়ে মূল্য আৰু অন্যান্য মাচুল পৰিশোধ কৰি সামগ্ৰীসমূহ প্ৰেৰণ কৰে। বিবেচনাৰ প্ৰয়োজন হোৱা একমাত্ৰ কথাটো হ'ল, এই পৰিস্থিতিত বিক্ৰী লেনদেনসমূহত মাদ্ৰাজৰ সাধাৰণ বিক্ৰী কৰ আইনৰ অধীনত কৰ আৰোপ কৰা হ'ব নেকি?

উচ্চ ন্যায়ালয়ৰ আগত দুয়োপক্ষই এই স্থিতি স্বীকাৰ কৰা যেন লাগিছিল যে, যদি ওপৰত উল্লেখ কৰা তথ্যৰ ভিত্তিত যদিহে দুয়োপক্ষৰ বিতৰ্ক নাছিল, বিক্ৰী মাদ্ৰাজ প্ৰদেশৰ ভিতৰত সংঘটিত হোৱা বুলি ধৰিব পাৰি, তেন্তে তেওঁলোকৰ ওপৰত বৈধভাৱে কৰ আৰোপ কৰিব পাৰি, কিন্তু অন্যথা নহয়। অৱশ্যে, এই বিক্ৰী মাদ্ৰাজ প্ৰদেশৰ ভিতৰত হৈছিল নে নাই সেয়া নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলগীয়া পৰীক্ষাৰ সন্দৰ্ভত দুয়োপক্ষৰে মতানৈক্য আছিল। আবেদনকাৰীৰ হৈ উত্থাপন কৰা যুক্তি আছিল যে, সকলো লেনদেনৰ ক্ষেত্ৰত বিক্ৰীৰ স্থান আছিল কলিকতা, কিয়নো বিক্ৰী কৰা প্ৰপাৰ্তি ইন দ্যা গুদচ্ (সামগ্ৰীসমূহৰ সম্পত্তি) সেই চহৰখনৰ ক্ৰেতাৰ ওচৰলৈ যোৱাটো স্বীকাৰযোগ্য। আনহাতে, উত্তৰদাতা ৰাজ্যৰ যুক্তি আছিল যে, বিক্ৰীৰ স্থান নিৰ্ধাৰণৰ বাবে প্ৰকৃত পৰীক্ষাটো বিক্ৰী কৰা প্ৰপাৰ্তি ইন দ্যা গুদচ্ ক'লৈ স্থানান্তৰিত হৈছিল সেয়া নহয়, বৰঞ্চ প্ৰকৃত লেনদেন ক'ত কৰা হৈছিল, সেয়াহে ভিত্তি আছিল। যিহেতু কোম্পানীটোৰ মুখ্য কাৰ্যালয় মাদ্ৰাজ চহৰত আছিল, সেয়েহে একাউণ্ট (হিচাপ- নিকাচ) তাত ৰখা হৈছিল আৰু সামগ্ৰীসমূহ সেই চহৰৰ কমন কেৰিয়াৰ (সাধাৰণ বাহক) ক প্ৰেৰণ কৰা হৈছিল, উত্তৰদাতাৰ মতে,

বিক্ৰীটো মাদ্ৰাজত হোৱা বুলি গণ্য কৰিব লাগিব, যদিও বিক্ৰী কৰা সামগ্ৰীসমূহৰ সম্পত্তি প্ৰদেশৰ বাহিৰলৈ গৈছে।

উচ্চ ন্যায়ালয়ে উত্তৰদাতা ৰাজ্যৰ এই যুক্তি গ্ৰহণ কৰিছিল। বিদ্বান বিচাৰকৰ মতে, "বিক্ৰী" শব্দটোৰ আইনী আৰু জনপ্ৰিয় দুটা অৰ্থ আছে। আইনী অৰ্থত, ই সামগ্ৰীবোৰত সম্পত্তিৰ স্থানান্তৰণ সূচাই আৰু এই অৰ্থত এই শব্দটো চেল অৱ গুদচ্ এক্ট (সামগ্ৰীৰ বিক্ৰী আইন) অনুসৰি ব্যৱহাৰ কৰা হয়। জনপ্ৰিয় অৰ্থত, অৱশ্যে, ইয়াৰ দ্বাৰা লেনদেনটোকেই বুজায়, যাৰ ফলত সম্পত্তি স্থানান্তৰণ হয়। যিহেতু চেলচ্ টেক্স এক্ট (বিক্ৰী কৰ আইন) -ত বিধানমণ্ডলৰ উদ্দেশ্য হৈছে, বিক্ৰীৰ বাবে কৰ আৰোপ কৰা, সেয়েহে প্ৰদেশৰ বাহিৰত বিক্ৰী সম্পূৰ্ণ হোৱাটো গুৰুত্বপূৰ্ণ নহয়। সম্পত্তিটো স্থানান্তৰণ হোৱা ঠাইখন কৰ আৰোপ কৰা কৰ্তৃপক্ষৰ বাবে কোনো চিন্তাৰ বিষয় নহয় বুলি কোৱা হয় আৰু এনে সন্দৰ্ভত শব্দটোৰ জনপ্ৰিয় অৰ্থ অধিক উপযুক্ত লগতে গ্ৰহণ কৰা উচিত। আবেদনকাৰীৰ ফালৰ পৰা উত্থাপন কৰা উপৰঞ্চি যুক্তি আছিল যে, যদি এই দৃষ্টিভংগী গ্ৰহণ কৰা হয়, কাৰ্য্যকৰীকৰণত বিক্ৰী কৰ এক্সট্ৰা- টেৰিটৰিয়েল (অতি-আঞ্চলিক) বুলি গণ্য কৰিব লাগিব আৰু এনেদৰে প্ৰাদেশিক বিধানমণ্ডলক *আলট্ৰা ভাইৰাচ* (অতিৰিক্ত কৰ্তৃত্ব) হিচাপে গণ্য কৰিব লাগিব, যি *ৱালেছ ব্ৰাদাৰ্ছ ইত্যাদি আৰু কোম্পানী বনাম আয়-কৰ আয়ুক্ত, বোম্বাই* [1] গোচৰত ন্যায়িক সমিতিৰ সুপৰিচিত সিদ্ধান্তৰ কৰ্তৃত্বত উচ্চ ন্যায়ালয়ে প্ৰত্যাখ্যান কৰিছিল।

এই সিদ্ধান্তৰ উপযুক্ততাক আমাৰ সন্মুখত প্ৰত্যাহ্বান জনোৱা হৈছে আৰু আপীলৰ সমৰ্থনত উপস্থিত শ্ৰী সোমাইয়াৰ দ্বাৰা

[1] (১৯৪৮) এফ.চি.আৰ. ১ (পি.চি.)

উত্থাপন কৰা যুক্তিসমূহ দ্বৈত চৰিত্ৰৰঃ- বিদ্বান পৰামৰ্শদাতাই প্ৰথমে যুক্তি দাঙি ধৰিছে যে, ভাৰত চৰকাৰ আইন, ১৯৩৫-ৰ অধীনত কাম কৰা প্ৰাদেশিক বিধানমণ্ডল এই চৰিত্ৰৰ এখন আইন প্ৰণয়ন কৰিবলৈ সাংবিধানিকভাৱে অক্ষম আছিল, যি উচ্চ ন্যায়ালয়ে ইয়াৰ ওপৰত ন্যস্ত কৰা ব্যাখ্যা অনুসৰি প্ৰদেশৰ বাহিৰত সমাপ্ত হোৱা বিক্ৰী লেনদেনৰ ক্ষেত্ৰত কাম কৰিবলৈ সক্ষম। আন এটা যুক্তি হ'ল যে, মাদ্ৰাজ বিক্ৰী কৰ আইনৰ প্ৰাসংগিক ব্যৱস্থাসমূহ সঠিকভাৱে গঠনৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে এই সিদ্ধান্ত লোৱাটো উচিত আছিল যে, তেওঁলোকে বিক্ৰীৰ লেনদেনৰ ক্ষেত্ৰত বিক্ৰী কৰ আৰোপ কৰাৰ অনুমতি নিদিয়ে য'ত বিক্ৰী কৰা সামগ্ৰীৰ সম্পত্তি প্ৰদেশৰ বাহিৰলৈ যায়।

প্ৰথম যুক্তিটো আমাৰ মানত দীৰ্ঘকালীন নহয় যেন লাগে। ভাৰত চৰকাৰ আইন, ১৯৩৫ৰ ধাৰা১০০(৩)ত শ্ৰী সোমায়াই ভিত্তি কৰিছিল আৰু যি সংবিধানৰ অনুচ্ছেদ ২৪৬(৩)ৰ সৈতে মিল থকা আৰু এনেধৰণৰ-

''পূৰ্বৰ দুটা উপধাৰাৰ অধীনত, দ্বিতীয় অনুসূচীৰ দ্বিতীয় তালিকাত উল্লেখ কৰা কোনো বিষয়ৰ সন্দৰ্ভত কোনো প্ৰদেশ বা ইয়াৰ কোনো অংশৰ বাবে আইন প্ৰণয়ন কৰাৰ ক্ষমতা ফেডাৰেল বিধানমণ্ডলৰ নাই, প্ৰাদেশিক বিধানমণ্ডলৰ আছে।"

আমাৰ উদ্দেশ্যৰ বাবে প্ৰাসংগিক- প্ৰাদেশিক তালিকাত থকা এনট্ৰি(উল্লেখ) হৈছে এনট্ৰি নং৪৮ আৰু যি "সামগ্ৰীৰ বিক্ৰী আৰু বিজ্ঞাপনৰ ওপৰত কৰ"ৰ কথা কয়। এনট্ৰিটোৱে সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰা আইন কেৱল প্ৰদেশৰ সীমাৰ ভিতৰত হোৱা বিক্ৰীৰ ক্ষেত্ৰত প্ৰণয়ন কৰিব পাৰি বুলি পৰামৰ্শ নিদিয়ে;

আৰু ১০০(৩) ধাৰাত কেৱল এইটোৰেই উল্লেখ আছে যে, প্ৰদেশখনৰ উদ্দেশ্যৰ বাবে এখন প্ৰাদেশিক বিধানমণ্ডলে আইন প্ৰণয়ন কৰিব পাৰে। এইক্ষেত্ৰত কোনো মতানক্য নাই যে, যদিহে এনে লেনদেন আৰু কৰ প্ৰদান কৰা প্ৰদেশৰ মাজত পৰ্যাপ্ত আৰু এক প্ৰকৃত আঞ্চলিক সম্পৰ্ক থাকে, লগতে প্ৰদেশৰ সীমাৰ বাহিৰত ভাৰতৰ আন যিকোনো অংশত বাধ্যতামূলক হ'ব পৰা কৰ আইন গৃহীত নকৰে, কিন্তু প্ৰদেশৰ বাহিৰত সম্পন্ন হোৱা লেনদেনৰ ওপৰত কৰ আৰোপ কৰা আইন প্ৰণয়ন কৰাত সক্ষম হ'ব। *ৱালেছ ব্ৰাদাৰ্ছ ইত্যাদি আৰু কোম্পানী বনাম আয়কৰ আয়ুক্ত, বোম্বাই* [2]-ৰ ন্যায়িক সমিতিৰ সিদ্ধান্তৰ ওপৰত আধাৰিত নীতিটো এই আদালতৰ দ্বাৰা *ব'ম্বে চেলচ টেক্স এক্ট* গোচৰ [3]-ৰ শেহতীয়া সিদ্ধান্তত বিক্ৰী কৰ আইন প্ৰণয়নৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি ধাৰণা কৰা হৈছে আৰু ইয়াৰ যুক্তিযুক্ততাৰ ক্ষেত্ৰত প্ৰশ্নৰ অৱকাশ নাই। দৰাচলতে, সংবিধান বলৱৎ হোৱাৰ পূৰ্বে প্ৰাদেশিক বিধানমণ্ডলীসমূহে গ্ৰহণ কৰা বিক্ৰী কৰৰ সন্দৰ্ভত আইন প্ৰণয়ন হৈছে- বিক্ৰী আৰু ক্ৰয়ৰ ওপৰত কৰ আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰা, যি কৰপ্ৰদান প্ৰদেশৰ সৈতে কিবা প্ৰকাৰে সম্পৰ্কিত হয়, কাৰণ লেনদেনৰ কিছুমান উপাদান প্ৰদেশৰ ভিতৰত উপস্থাপিত হৈছিল অথবা লেনদেন হোৱাৰ সময়ত ইয়াৰ ভিতৰত সামগ্ৰীৰ উৎপাদন বা অৱস্থানৰ কাৰণে। মাদ্ৰাজ প্ৰদেশৰ ভিতৰত ব্যৱসায়ৰ স্থান বা বিক্ৰী কৰা সামগ্ৰীৰ অৱস্থান যদি মাদ্ৰাজ বিক্ৰী কৰ আইনত কৰ আৰোপ কৰাৰ আধাৰ হয়, তেন্তে নিঃসন্দেহে ই এক বৈধ আইন হ'ব, য'ত সাংবিধানিক ভিত্তিত কোনো আপত্তি

[2] (১৯৪৮) এফ.চি.আৰ. ১ (পি.চি.)

[3] দ্যা স্টেট অৱ বোম্বাই আৰু অন্যান্য বনাম ইউনাইটেড মটৰচ (ইণ্ডিয়া) লিমি.আৰু অন্যান্য- দেৱানী আপীল নং ২০৪/১৯৫২

কৰিব পৰা নহ'ব। সেয়েহে, এই সন্দৰ্ভত বিতৰ্কটো সুক্ষ্ম বিন্দুলৈ সংকুচিত কৰি, মাদ্ৰাজ বিধানমণ্ডলে বিক্ৰী কৰ আৰোপ কৰাৰ আধাৰ হিচাপে গ্ৰহণ কৰিছে। এইটোৱে আমাক আইনৰ ব্যাখ্যাৰ প্ৰশ্নলৈ লৈ যায়, যি শ্ৰী সোম্মায়াই উত্থাপন কৰা দ্বিতীয় যুক্তিৰ সৈতে জড়িত।

এইটো প্ৰণয়নৰ এক স্থায়ী নিয়ম যে, আইন প্ৰণয়নৰ অভিপ্ৰায় নিৰ্ধাৰণ কৰিবলৈ এখন বিধিৰ সকলো উপাদান একেলগে সামৰি ল'ব লাগিব আৰু প্ৰতিটো শব্দ, বাক্যাংশ বা বাক্য আইনখনৰ সাধাৰণ সংকল্প আৰু উদ্দেশ্যৰ পৰিপ্ৰেক্ষিতত বিবেচনা কৰিব লাগিব। মাদ্ৰাজ বিক্ৰী কৰ আইনৰ শিৰোনামাই এইখনক আইন বুলি বৰ্ণনা কৰিছে, যাৰ উদ্দেশ্য হৈছে মাদ্ৰাজ প্ৰদেশত সামগ্ৰীৰ বিক্ৰীৰ ওপৰত সাধাৰণ কৰ আৰোপ কৰাৰ ব্যৱস্থা কৰা আৰু প্ৰস্তাৱনাত একে শব্দবোৰ পুনৰাবৃত্তি কৰা হৈছে। বিধি এখন নিৰ্মাণত সহায়ক হিচাপে শিৰোনামা আৰু প্ৰস্তাৱনাৰ মূল্য যিয়েই নহওঁক, নিঃসন্দেহে বিধানমণ্ডলৰ অভিপ্ৰায় আৰু গঠনশৈলীৰ ওপৰত আলোকপাত কৰে আৰু আইনখনৰ পৰিসৰ আৰু উদ্দেশ্য সূচায়। মাদ্ৰাজ বিক্ৰী কৰ আইনৰ শিৰোনামা আৰু প্ৰস্তাৱনাই স্পষ্টভাৱে দেখুৱাইছে যে, এইবোৰৰ উদ্দেশ্য হৈছে প্ৰদেশৰ ভিতৰত হোৱা বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰা, যদিও এই শব্দবোৰৰ অৰ্থ এইটো নহয় যে, বিক্ৰী কৰা সামগ্ৰীৰ সম্পত্তি প্ৰদেশৰ ভিতৰত লেনদেন হ'ব লাগিব। "সামগ্ৰীৰ বিক্ৰী" অভিব্যক্তিটো হৈছে- বিভিন্ন উপাদান বা উপকৰণেৰে গঠিত এক মিশ্ৰিত প্ৰকাশ। সেয়েহে, দৰদাম বা বিক্ৰী চুক্তি, পেমেন্ট অৱ প্ৰাইচ (পৰিশোধ) বা প্ৰমিচ অৱ পেমেন্ট অৱ প্ৰাইচ (পৰিশোধৰ মূল্যৰ প্ৰতিশ্ৰুতি),

সামগ্ৰীৰ ডেলিভাৰী আৰু একচুৰেল পাচিং অৱ টাইটেল(স্বত্বৰ প্ৰকৃত হস্তান্তৰ) এইবোৰৰ প্ৰতিটোৱেই বিক্ৰীৰ লেনদেনৰ বাবে অত্যাৱশ্যকীয় যদিও, ক্ৰেতা সম্পত্তিৰ গৰাকী নোহোৱালৈকে বিক্ৰী সম্পূৰ্ণ নহয় বা সমাপ্ত নহয়। প্ৰশ্নটো হ'ল- মাদ্ৰাজ বিধানমণ্ডলে কোনটো উপাদান বা উপাদানক সেই প্ৰদেশত বিক্ৰী হিচাপে গ্ৰহণ কৰিছে, যাৰ ওপৰত আইনৰ উদ্দেশ্য- কৰ আৰোপ কৰা। ধাৰা ২(এইচ.)এ "বিক্ৰী"ৰ সংজ্ঞা প্ৰদান কৰে আৰু ইয়াৰ অৰ্থ এনেদৰে সংজ্ঞায়িত কৰা হৈছে- "বেপাৰ বা ব্যৱসায়ত এজন ব্যক্তিৰ দ্বাৰা আন এজনলৈ নগদ ধন বা বিলম্বিত পৰিশোধ বা অন্যান্য মূল্যৱান কনচিদাৰেচন(বিবেচনা)ৰ বাবে সামগ্ৰীত থকা সম্পত্তি স্থানান্তৰ কৰা হয়, কিন্তু মৰ্টগেজ(বন্ধক), হাইপোথেকেচন(অনুমান), মাচুল বা প্লেড্জ(বন্ধক) অন্তৰ্ভুক্ত নকৰে।"

নিশ্চিতভাৱে এই সংজ্ঞাত বিক্ৰীজাত সম্পত্তিৰ হস্তান্তৰৰ উপাদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে, অন্যথা নহয়। এই উক্তিয়ে বিক্ৰীৰ জনপ্ৰিয় অৰ্থৰ কোনো ইংগিত নকৰে, য'ত উচ্চন্যায়ালয়ৰ মতে এই শব্দটো ব্যৱহাৰ কৰা হৈছিল। এইটো লক্ষ্য কৰিবলগীয়া যে, এই সংজ্ঞাটোৰ ব্যাখ্যাৰ জৰিয়তে, কাৰ্য্যকৰী হৈ থকা, নিৰ্দিষ্ট সময়সীমাত মাদ্ৰাজ প্ৰদেশৰ ভিতৰত কি ক্ষেত্ৰত বিক্ৰী হোৱা বুলি গণ্য কৰা হ'ব সেইটো সূচাবলৈ কোনো ব্যৱস্থা নাছিল, যদিও বিক্ৰী কৰা সামগ্ৰীসমূহৰ সম্পত্তি প্ৰদেশৰ সীমাৰ বাহিৰত লেনদেন হৈছিল। ১৯৪৭চনৰ মাদ্ৰাজ আইন XXV-ৰ দ্বাৰা এনে ব্যাখ্যা সংযোগ কৰা হৈছিল আৰু এই ব্যাখ্যাসমূহৰ ভিতৰত ব্যাখ্যা ২-ত তলত উল্লেখ কৰা ধৰণে ব্যৱস্থা কৰা হৈছেঃ-

"১৯৩০-ৰ ভাৰতীয় সামগ্ৰী বিক্ৰী আইনত বিপৰীত যিকোনো কথা থকা স্বত্বেও, এই আইনৰ উদ্দেশ্যৰ বাবে যিকোনো সামগ্ৰীৰ বিক্ৰী বা ক্ৰয় এই প্ৰদেশত হোৱা বুলি গণ্য কৰা হ'ব, য'তেই বিক্ৰী বা ক্ৰয়ৰ চুক্তি কৰা হ'ব পাৰে-

(ক) যদি ইয়াৰ সন্দৰ্ভত বিক্ৰী বা ক্ৰয়ৰ চুক্তি কৰা সময়ত সামগ্ৰীসমূহ প্ৰকৃততে এই প্ৰদেশত আছিল, বা

(খ) যদি চুক্তিখন বৰ্ণনা অনুসৰি ভৱিষ্যতৰ সামগ্ৰীৰ বিক্ৰী বা ক্ৰয়ৰ বাবে কৰা হৈছিল, তেন্তে এই সন্দৰ্ভত বিক্ৰী বা ক্ৰয়ৰ চুক্তিৰ পিছত যদি সামগ্ৰীসমূহ প্ৰকৃততে এই প্ৰদেশত যিকোনো সময়তে উৎপাদন কৰা হয় ।

ইয়াৰ পৰা এই কথা স্পষ্ট যে, এই লেনদেনবোৰ বিধানমণ্ডলে মাদ্ৰাজ প্ৰদেশৰ ভিতৰত বিক্ৰী কৰিবলৈ বিবেচনা কৰা নাছিল, কিন্তু এক আইনী কল্পকাহিনীৰ আশ্ৰয় লৈ সেইবোৰ এনেদৰে ঘোষণা কৰা হৈছিল আৰু সামগ্ৰী বিক্ৰী আইনত যিকোনো বৈপৰীত্য থকা স্বত্বেও অন্যথা যিকোনো প্ৰকাৰে প্ৰযোজ্য বুলি ধাৰণা কৰা হৈছিল। তাৰোপৰি ব্যাখ্যাটোৱে ইংগিত কৰে যে, ধাৰা ২(এইচ.)ত "বিক্ৰী" সংজ্ঞায়িত কৰাৰ ক্ষেত্ৰত বিধানমণ্ডলে মাদ্ৰাজ প্ৰদেশত হোৱা বিক্ৰীৰ কথা সৰোগত কৰিছিল আৰু যিহেতু এই শব্দবোৰ আইনখনৰ শিৰোনামা আৰু প্ৰস্তাৱনাত পোৱা যায়, সেয়েহে সংজ্ঞাত বা চাৰ্জিং ধাৰাত সেইবোৰ পুনৰাবৃত্তি কৰাটো প্ৰয়োজনীয় বুলি গণ্য কৰা হোৱা নাছিল। ধাৰা নং৩ হৈছে আইনখনৰ চাৰ্জিং ধাৰা আৰু ই এটা নিৰ্দিষ্ট বছৰৰ বাবে এজন ব্যৱসায়ীৰ মুঠ টাৰ্ণঅ'ভাৰৰ ওপৰত কৰ আৰোপ কৰাৰ ব্যৱস্থা কৰে। "টাৰ্ণঅ'ভাৰ" হৈছে সামগ্ৰী ক্ৰয় বা বিক্ৰী কৰা সামগ্ৰীৰ

মুঠ পৰিমাণ। চাৰ্জিং ধাৰাটোৱে সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰাৰ কথা উল্লেখ কৰে আৰু এই কৰ মাদ্ৰাজ প্ৰদেশত সামগ্ৰীৰ বিক্ৰীৰ ওপৰত আৰোপ কৰা হয়, যি ইয়াৰ শিৰোনামা আৰু প্ৰস্তাৱনাৰ পৰিপ্ৰেক্ষিতত আইনখনৰ ধাৰা ২(এইচ)-ত সংজ্ঞায়িত কৰা হৈছে।

আমাৰ মতে, বিক্ৰীৰ চুক্তি মাদ্ৰাজ প্ৰদেশৰ ভিতৰত সম্পন্ন হোৱাটোৱে আন এখন প্ৰদেশৰ ভিতৰত সম্পূৰ্ণ হোৱা লেনদেনক মাদ্ৰাজ বিক্ৰী কৰ আইনৰ ব্যৱস্থা অনুসৰি মাদ্ৰাজ প্ৰদেশৰ ভিতৰত বিক্ৰী কৰা বুলি গণ্য নকৰে, যিখন প্ৰদেশলৈ প্ৰপাৰ্টি ইন দ্যা গুদচ্ স্থানান্তৰিত হৈছে আৰু আইনখনৰ ব্যৱস্থা অনুসৰি এনে লেনদেনৰ ওপৰত কোনো কৰ আৰোপ কৰিব নোৱাৰি। বিক্ৰী চুক্তি কেৱল তেতিয়াহে সামগ্ৰীৰ বিক্ৰী আইনৰ অধীনত বিক্ৰী বুলি গণ্য হৈ পৰে, যেতিয়া সামগ্ৰীৰ সম্পত্তি চুক্তিৰ চৰ্ত অনুসৰি ক্ৰেতাৰ ওচৰলৈ স্থানান্তৰ কৰা হয়। চুক্তিৰ সময়ত প্ৰদেশৰ ভিতৰত সামগ্ৰীৰ উপস্থিতিয়ে নিঃসন্দেহে বিক্ৰী সম্ভৱ কৰিব, যদিহে, ১৯৪৭চনৰ XXV আইনৰ দ্বাৰা যোগ কৰা ব্যাখ্যাৰ বাবে প্ৰদেশৰ ভিতৰত বিক্ৰী পৰৱৰ্তী সময়ত সম্পূৰ্ণ হয়; কিন্তু যিহেতু এই ব্যাখ্যাটো আমাৰ প্ৰসংগত কাৰ্যকৰী হোৱা নাছিল, আমাৰ মতে, এই সময়ছোৱাত লেনদেনৰ ওপৰত বিক্ৰী কৰৰ মূল্যায়ন অবৈধ আৰু আইনৰ ব্যৱস্থাৰ দ্বাৰা জৰুৰী নহয়। এই সন্দৰ্ভত উল্লেখ কৰাটো সঠিক হ'ব যে, আলোচ্য সময়ৰ বাহিৰে পূৰ্বৰ কোনো বছৰত কৰদাতা কৰ্তৃপক্ষই আবেদনকাৰীৰ একে ধৰণৰ লেনদেনৰ ওপৰত কোনো কৰ আৰোপ কৰাৰ চেষ্টা কৰা নাছিল, যদিও আইনখন ১৯৩৯চনৰ পৰাই কাৰ্যকৰী হৈছিল। এইটোও বিতৰ্কিত নহয় যে, ১৯৪৭চনৰ XXV আইনৰ দ্বাৰা সংযোগ কৰা ব্যাখ্যা

বলৱৎ হোৱাৰ পিছৰে পৰা কোম্পানীটোৱে কলিকতাৰ ব্যৱসায়ীসকলৰ সৈতে কৰা লেনদেনৰ ওপৰত বিক্ৰী কৰ পৰিশোধ কৰি আহিছে। আমাৰ মতে, আপীলটো অনুমোদিত হ'ব লাগে আৰু বিচাৰ আদালতে প্ৰদান কৰা দোষী সাব্যস্তকৰণ আৰু শাস্তি বাতিল কৰিব লাগে। যদি জৰিমনা আৰু বিক্ৰী কৰ পৰিশোধ কৰা হৈছে, আবেদনকাৰীক ঘূৰাই দিব লাগে।

আপীলৰ অনুমতি দিয়া হৈছে।

আবেদনকাৰীৰ প্ৰতিনিধি- *এম. এছ. কে. আয়াঙ্গাৰ*।

উত্তৰদাতাৰ প্ৰতিনিধি- (মাদ্ৰাজ ৰাজ্য), ভাৰত চৰকাৰ আৰু পঞ্জাৱ ৰাজ্য, মহীশূৰ, মধ্যপ্ৰদেশ আৰু ট্ৰাভাঙ্কোৰ কোচিন (হস্তক্ষেপকাৰী) ৰাজ্যসমূহৰ প্ৰতিনিধি- *জি. এইচ. ৰাজাধ্যক্ষ*।

বিহাৰ ৰাজ্যৰ প্ৰতিনিধি- *আৰ. চি. প্ৰসাদ*।

ইউ. পি. ৰাজ্যৰ প্ৰতিনিধি- *চি. পি. লাল*।

হস্তক্ষেপকাৰীৰ নং৮-ৰ প্ৰতিনিধি- *ৰাজিন্দৰ নাৰায়ণ*।

-------------

---------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়।

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and

official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বুলি বিবেচিত হ'ব।"